# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 12-03-2025
**Time:** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*
**- - - - - - - - - - - - - - -**

১। আভিযান্ত্রিক শিক্ষা প্ৰতিষ্ঠানৰ ঠিকাভিত্তিক ১৪৭ গৰাকী প্ৰৱক্তাৰ নিযুক্তি বাতিলক কেন্দ্ৰ কৰি বিধানসভাত হুলস্থূলীয়া পৰিৱেশ। ২১ মাৰ্চত এই সম্পৰ্কত সদনত বিবৃতি।

২। ৰাজ্যত মহিলাৰ বাবে চাৰিটা সুকীয়া নিচামুক্তি আৰু পুনৰ্বাসন কেন্দ্ৰ স্থাপনৰ বাবে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ প্ৰেৰণ।

৩। বহনক্ষম জৈৱ প্ৰযুক্তিৰ বাবে অনুকূল বাতাবৰণ গঢ়ি তোলাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ সৈতে চুক্তি।

৪। দৌল উৎসৱ আৰু ৰঙৰ উৎসৱ ফাকুৱাৰ বাবে ৰাজ্যজুৰি প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ। **আৰু**

৫। বিশ্ব পেৰা এথলেটিকছ্ গ্ৰাঁ প্ৰী প্ৰতিযোগিতাত ৰূপৰ পদক অৰ্জন কৰি আবাবিল আলীৰ অভিলেখ।

ooooo

ৰাজ্যখনৰ বিভিন্ন আভিযান্ত্রিক শিক্ষা প্ৰতিষ্ঠানৰ ঠিকাভিত্তিত কৰ্মৰত ১৪৭ গৰাকী অংশকালীন প্ৰৱক্তাৰ নিযুক্তি বাতিলক কেন্দ্ৰ কৰি বিৰোধী পক্ষই সভা স্থগিত প্ৰস্তাৱ উত্থাপনৰ দাবীক লৈ আজি বিধানসভাত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়। সদনত প্ৰশ্নোত্তৰ কাল অন্ত পৰাৰ পাছতেই বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই এই সন্দৰ্ভত এটা সভা স্থগিত প্ৰস্তাৱ উত্থাপনৰ বাবে অধ্যক্ষৰ ওচৰত দাবী জনায়। অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে এই প্ৰস্তাৱ নাকচ কৰি শূন্যকালীন ঘণ্টাত বিষয়টো আলোচনা কৰাৰ বাবে পৰামৰ্শ দিয়ে যদিও কংগ্ৰেছ আৰু এ আই ইউ ডি এফৰ বিধায়কসকলৰ লগতে বিধায়ক অখিল গগৈয়ে অধ্যক্ষৰ দাবী অগ্ৰাহ্য কৰি হাতে-হাতে প্লেকাৰ্ড লৈ সদনৰ মজিয়াত প্ৰতিবাদ সাব্যস্ত কৰে। সদনত হোৱা হুলস্থূলীয়া পৰিস্থিতিৰ বাবে কাৰো মাত কোনেও নুশুনা হয় আৰু অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে ১০ মিনিটৰ বাবে সদনৰ কাম-কাজ স্থগিত ৰাখিবলৈ বাধ্য হয়। সদন পুনৰ মিলিত হোৱাৰ পাছতো বিৰোধী পক্ষই এই দাবী সন্দৰ্ভত চৰকাৰৰ পৰা এটা বিবৃতি দাবী কৰে। অধ্যক্ষৰ আসনত থকা উপাধ্যক্ষ নুমল মমিনে এই সন্দৰ্ভত এটা বিবৃতি দিবলৈ চৰকাৰক নিৰ্দেশ দিয়ে। সদনৰ দিনটোৰ কাম-কাজৰ অন্ত পৰাৰ কিছুসময়ৰ পূৰ্বে সংসদীয় পৰিক্ৰমা মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে আভিযান্ত্রিক শিক্ষা প্ৰতিষ্ঠানৰ ১৪৭ গৰাকী ঠিকাভিত্তিক প্ৰৱক্তাৰ নিযুক্তি বাতিল সন্দৰ্ভত অহা ২১ মাৰ্চত ৰাজ্য চৰকাৰে সদনত এটা বিবৃতি দিব বুলি ঘোষণা কৰে।

ooooo

অসমে ২০৪৭ চনৰ ভিতৰত অৰ্থনৈতিক দিশত দেশক নেতৃত্ব প্ৰদান কৰিব। সেই লক্ষ্য আগত ৰাখিয়েই পৰৱৰ্তী বিত্তীয় বৰ্ষৰ বাবে বাজেটড প্ৰস্তুত কৰা হৈছে বুলিও তেওঁ উল্লেখ কৰে। বিধানসভাত আজি বাজেট বিতৰ্কৰ উত্তৰ দি বিত্ত মন্ত্ৰী অজন্তা নেওগে এইদৰে প্ৰকাশ কৰে।

তেওঁ কয় যে অসমে সম্প্ৰতি দেশৰ ২৮খন ৰাজ্যৰ ভিতৰত গৌৰৱেৰে নিজৰ পৰিচয় দিবলৈ সমৰ্থ হৈছে। বিত্তমন্ত্ৰীগৰাকীয়ে লগতে কয় যে অহা ৩১ মাৰ্চৰ ভিতৰত বাজেট ব্যয়ৰ পৰিমাণে ৮৫ শতাংশ স্পৰ্শ কৰিব আৰু ২০২৫-২৬ বিত্তীয় বৰ্ষৰ ৰাজ্যৰ বাজেট ব্যয় ৯০ শতাংশলৈ বৃদ্ধি পাব। অসমক অৰ্থনৈতিকভাৱে শক্তিশালী কৰাৰ সংকল্পৰে ৰাজ্য চৰকাৰ আগবাঢ়িছে বুলি উল্লেখ কৰি শ্ৰীমতী নেওগে কয় যে ইচ্ছাকৃতভাৱে কোনো বিভাগৰ পুঁজি কৰ্তন কৰা হোৱা নাই। কণ্টিজেন্সি ফাণ্ডত দুহেজাৰ কোটি টকা ৰখা হৈছে বুলি বিত্তমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ কয় যে বিভাগসমূহক পুঁজিৰ প্ৰয়োজন হ'লে এই পুঁজি ব্যয় কৰিব পাৰিব।

ইয়াৰ পূৰ্বে বিধানসভাত আজি দ্বিতীয় দিনৰ বাবে অনুষ্ঠিত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ সাধাৰণ বাজেট সম্পৰ্কীয় আলোচনাত অংশ লৈ অসম গণ পৰিষদৰ ৰমেন্দ্ৰ নাৰায়ণ কলিতাই কয় যে ৰাজ্যই শেহতীয়াকৈ অৰ্থনৈতিক দিশত নতুন গতি লাভ কৰিছে। ইয়াৰ ফলত ৰাজ্যৰ বিকাশ ত্বৰান্বিত হৈছে বুলি বিধায়কগৰাকীয়ে উল্লেখ কৰে। শ্ৰীকলিতাই কয় যে বাজেটত দৰিদ্ৰতা নিৰ্মূলকৰণৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। বাজেট সম্পৰ্কীয় আলোচনাত ভাগ লৈ কংগ্ৰেছৰ আব্দুল বাতেন খণ্ডকাৰে কয় যে কোনো দেশ বা ৰাজ্যৰ বিকাশ আৰু উন্নয়ন মূলধনী ব্যয়ৰ ওপৰত নিৰ্ভৰ কৰে যদিও এইবাৰৰ বাজেটত ৰাজ্য চৰকাৰে উন্নয়নৰ দিশটো এৰাই চলিছে আৰু বিভিন্ন শিতানৰ ধন কৰ্তন কৰা হৈছে। তেওঁ কয় যে চলিত বৰ্ষৰ গ্ৰামোন্নয়ন শিতানত ৭ হাজাৰ ১২২ কোটি টকা ধাৰ্য কৰা হৈছিল, কিন্তু পৰৱৰ্ত্তী বিত্তীয় বৰ্ষৰ বাবে এই শিতানত ৪ হাজাৰ ৯৩৮ কোটি টকাহে আবণ্টন দিয়া হৈছে। বি পি এফৰ বিধায়ক দুৰ্গা দাস বড়োৱে নিবনুৱা সমস্যাৰ ভয়াবহতা দূৰ কৰাৰ স্বাৰ্থত ঔদ্যোগিকীকৰণত অধিক গুৰুত্ব আৰোপ কৰিবলৈ চৰকাৰক আহ্বান জনায়। কংগ্ৰেছ বিধায়ক আব্দুৰ ৰহমান আহমেদে আলোচনাত ভাগ লৈ বাজেটত কৰ্মসংস্থাপনৰ পথ সম্পৰ্কে কোনো উল্লেখ নাই বুলি মন্তব্য কৰে। বাজেটৰ বাবে জনমূৰি ঋণ ৫২ হাজাৰ ১৬৪ টকালৈ বৃদ্ধি পোৱা বুলি বিধায়কগৰাকীয়ে দাবী কৰে। চি পি আই এমৰ সদস্য মনোৰঞ্জন তালুকদাৰেও অনুৰূপ মন্তব্য কৰে। ইউ পি পি এলৰ বিধায়ক গোবিন্দ বসুমতাৰীয়ে কয় যে অৰ্থনৈতিক সংস্কাৰৰ বাবে ৰাজ্যত উন্নয়ন ত্বৰান্বিত হৈছে। তেওঁ লগতে এইবাৰৰ বাজেটত বি টি আৰৰ বাবে ধাৰ্য কৰা ধন এহেজাৰ ১শ কোটি টকালৈ বৃদ্ধি কৰা বাবে বিত্তমন্ত্ৰী গৰাকীক সদনৰ মজিয়াত ধন্যবাদ জ্ঞাপন কৰে।

ooooo

ৰাজ্যৰ মহিলাৰ বাবে চাৰিটা সুকীয়া নিচামুক্তি আৰু পুনৰ্বাসন কেন্দ্ৰ স্থাপনৰ বাবে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছে। সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই আজি বিধানসভাত এটা প্ৰশ্নৰ উত্তৰত এই কথা সদৰি কৰে। শ্ৰীহাজৰিকাই কয় যে ৰাজ্যত বৰ্তমান ২০টা নিচামুক্তি আৰু পুনৰ্বাসন কেন্দ্ৰ আছে। ইয়াৰে ছটা চৰকাৰৰ আৰু ১৪টা বেচৰকাৰী খণ্ডৰ দ্বাৰা পৰিচালিত বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। ৰাজ্যৰ নিচামুক্তি আৰু পুনৰ্বাসন কেন্দ্ৰসমূহৰ সাম্প্ৰতিক স্থিতি সন্দৰ্ভতদ মন্ত্ৰীগৰাকীয়ে এইদৰে কয় ---  **বাইট**

ooooo

দৌল উৎসৱ আৰু ৰঙৰ উৎসৱ ফাকুৱাৰ বাবে ৰাজ্যজুৰি প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰৰ লগতে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে দৌল উৎসৱক কেন্দ্ৰ কৰি উৎসাহ-উদ্দীপনাই বিৰাজ কৰিছে। বৰপেটা সত্ৰত কাইলৈ সন্ধিয়া গন্ধযাত্ৰাৰে দৌল মহোৎসৱৰ শুভাৰম্ভ কৰা হ'ব। হোলী গীতৰ প্ৰসাৰৰ অংশ হিচাপে আজি বৰপেটাত বৰ্ণিল বসন্ত নামেৰে হোলী গীত পৰিৱেশনৰ কাৰ্যসূচী লোৱা হয়। কমেও ৮০টা দলে

এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে। এই কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি বৰপেটা ৰাখাল থান খেলপথাৰৰ পৰা শোভাযাত্ৰা উলিওৱা হয়। এই শোভাযাত্ৰাত কেইবাখনো সত্ৰৰ সত্ৰাধিকাৰে অংশগ্ৰহণ কৰে।

মাজুলীৰ ঐতিহাসিক দক্ষিণপাট সত্ৰ, গড়মূৰ সত্ৰ, বেঙেনাআটী সত্ৰ, চামগুৰি সত্ৰকে ধৰি কেইবাখনো সত্ৰত কাইলৈক পৰা ফল্গুৎসৱৰ আয়োজন কৰা হৈছে। মুখাশিল্পৰ বাবে বিশ্বখ্যাত চামগুৰি সত্ৰত চাৰিদিনীয়াকৈ দৌল উৎসৱৰ আয়োজন কৰা হৈছে। উৎসৱৰ অংশ হিচাপে নাম কীৰ্তন, ফাকুৱাৰ গীত-মাত আৰু ভাওনা পৰিৱেশন কৰা হ'ব।

কোচবিহাৰৰ ইতিহাস প্ৰসিদ্ধ মধুপুৰ সত্ৰত কাইলৈৰ পৰা তিনিদিনীয়াকৈ দৌল উৎসৱ পালন কৰা হ'ব। কাইলৈ গন্ধযাত্ৰাৰ লগতে সত্ৰৰ চৌহদত সাজি উলিওৱা ভেলাঘৰত অগ্নিসংযোগ কৰি ৰাইজৰ মংগল কামনা কৰা হ'ব। পৰহিলৈ গোসাঁইৰ সন্মুখত নাম প্ৰসংগ আৰু ১৫ মাৰ্চত গোসাঁইক লৈ শোভাযাত্ৰা কৰা হ'ব।

ৰাজ্যৰ অন্য প্ৰান্তৰ লগতে গোৱালপাৰাতো বিস্তৃত কাৰ্যসূচীৰে দৌল উৎসৱ উদযাপনৰ প্ৰস্তুতি চলাই থকা হৈছে। ৰংজুলিৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীৰামচন্দ্ৰ বিগ্ৰহ দেৱালয়ত কাইলৈৰ পৰা ৫ দিনীয়া কাৰ্যসূচীৰে এই উৎসৱ অনুষ্ঠিত হ'ব। গোৱালপাৰা চহৰৰ শ্ৰীশ্ৰীশ্যামৰায় সত্ৰ আৰু পশ্চিম গোৱালপাৰাৰ কেউলীয়া হাটী সত্ৰতো কাইলৈ সন্ধিয়া অধিবাস আৰু সান্ধ্য কীৰ্তনৰ আয়োজন কৰা হৈছে।

তামুলপুৰ জিলাৰ পুনীয়া শ্যামৰায় সত্ৰৰ লগতে জিলাখনৰ কেইবাখনো সত্ৰ আৰু অন্যান্য স্থানত কাইলৈৰ পৰা আয়োজিত দৌল উৎসৱৰ বাবে সত্ৰসমূহ সজাই-পৰাই তোলা হৈছে। শ্যামৰায় সত্ৰ উদযাপন সমিতিয়ে কাইলৈৰ পৰা তিনিদিনীয়া এই উৎসৱ পালন কৰিব। এই উপলক্ষে বিটিআৰৰ কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে কাইলৈ দৌল মন্দিৰৰ মুখ্যদ্বাৰ উন্মোচন কৰিব। সন্ধিয়া মেষদাহ কৰাৰ লগতে নাটক পৰিৱেশন কৰা হ'ব।

দৌল যাত্ৰা উপলক্ষে বৰপেটা, মৰিগাঁও আৰু নগাঁৱৰ জিলা আয়ুক্তই অহা ১৫ মাৰ্চত স্থানীয় বন্ধ ঘোষণা কৰিছে।

ooooo

কেন্দ্ৰীয় চৰকাৰৰ জৈৱপ্ৰযুক্তি বিভাগ আৰু ৰাজ্য চৰকাৰে অৰ্থনীতি, পৰিবেশ আৰু কৰ্মসংস্থাপনৰ বাবে জৈৱপ্ৰযুক্তি - বায়ো ই-থ্ৰী নীতিৰ অধীনত এখন ঐতিহাসিক চুক্তি স্বাক্ষৰ কৰিছে। এই চুক্তিৰ জৰিয়তে ৰাজ্যত বহনক্ষম জৈৱপ্ৰযুক্তি অনুকূল বাতাবৰণ গঢ়ি জৈৱ উৎপাদন ত্বৰান্বিত কৰাৰ লক্ষ্য ধাৰ্য কৰা হৈছে। চুক্তিৰ অধীনত জৈৱপ্ৰযুক্তি বিভাগে যাৱতীয় দিহা-পৰামৰ্শ আগবঢ়াব আৰু সহযোগিতাৰ পথ সূচল কৰিব। ইয়াৰ বিপৰীতে ৰাজ্য চৰকাৰে বায়ো ই-থ্ৰী কোষ গঠন কৰি এই উদ্যমক আগুৱাই লৈ যাব। ৰাজ্য চৰকাৰে অসম বায়ো ই-থ্ৰী পৰিকল্পনাও যুগুতাই উলিয়াব। উল্লেখযোগ্য যে কেন্দ্ৰীয় মন্ত্ৰীসভাই যোৱা আগষ্টত ভাৰতবৰ্ষক জৈৱ আধাৰিত উদ্ভাৱনৰ অগ্ৰণী ৰূপে গঢ়ি তোলাৰ পৰিকল্পনা গ্ৰহণ কৰিছে।

ooooo

কৃষি বিভাগৰ উদ্যোগত দৰং জিলাৰ মঙলদৈত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে কৃষক মেলা অনুষ্ঠিত হৈছে। মেলাত বিভিন্ন কৃষিজাত সামগ্ৰীৰ প্ৰদৰ্শনী, কৃষক পঞ্জীয়ন, কৃষক আৰু কৃষি বিজ্ঞানীৰ মত বিনিময়, সজাগতা সভা অনুষ্ঠিত হয়। প্ৰথম দিনাৰ কাৰ্যসূচীত জিলাখনৰ শতাধিক কৃষক, কৃষি বিজ্ঞানী, আত্মসহায়ক গোটৰ মহিলাসকলে অংশ লয়। কাইলৈ কৃষক পঞ্জীয়ন, কৃষক প্ৰশিক্ষণ, মুকলি সভা আৰু কৃষকসকলৰ মাজত সঁজুলি বিতৰণ কাৰ্যসূচী ৰূপায়ন কৰা হ'ব। এই কৃষক মেলা সন্দৰ্ভত কৃষি বিষয়া দিবাকৰ ডেকাই এইদৰে কয়— **বাইট (দিবাকৰ ডেকা)**

কৃষি বিভাগৰ উদ্যোগত হাইলাকান্দি জিলাত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে কৃষক মেলা অনুষ্ঠিত হৈছে। কৃষক মেলাৰ সৈতে সংগতি ৰাখি কৃষিৰ অত্যাধুনিক যন্ত্ৰৰ প্ৰদৰ্শনী, আত্মসহায়ক গোটৰ বিপণী মুকলি কৰা হয়। মেলাৰ প্ৰথম দিনটো ভালেকেইগৰাকী কৃষি বিজ্ঞানীয়ে সভাত অংশ লৈ কৃষকসকলৰ উন্নয়নৰ বাবে চৰকাৰে গ্ৰহণ কৰা বিভিন্ন আঁচনি সম্পৰ্কে বিস্তৃতভাৱে আলোচনা কৰে।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ আসন্ন অসম ভ্ৰমণ সন্দৰ্ভত যোৰহাট জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন প্ৰস্তুতিমূলক সভা অনুষ্ঠিত হয়। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীৰ অসম ভ্ৰমণ যাতে সুচাৰুৰূপে আৰু সফলতাৰে সম্পন্ন হয় তাৰ প্ৰতি লক্ষ্য ৰাখি আয়ুক্তগৰাকীয়ে বিভাগীয় বিষয়াসকলক পৰামৰ্শ আগবঢ়ায়। জিলা আয়ুক্তগৰাকীয়ে জিলা প্ৰশাসনৰ বিষয়াসকলৰ সৈতে দ্বিতীয়খন বৈঠকত মিলিত হৈ এই সন্দৰ্ভত বিতংভাৱে আলোচনা কৰে।

০০০০০

অভিযুক্তক গ্ৰেপ্তাৰ কৰাৰ সময়ত সংশ্লিষ্ট আৰক্ষী বিষয়াই আইনগত নীতি-নিয়মসমূহ পালন নকৰা বিষয়টোক লৈ আজি গুৱাহাটী উচ্চ ন্যায়ালয়ে অসন্তুষ্টি প্ৰকাশ কৰে। মঙলদৈ থানাত ৰুজু হোৱা এটা গোচৰত এজন অভিযুক্তক গ্ৰেপ্তাৰৰ সময়ত আৰক্ষীয়ে নিয়ম উলঙ্ঘা কৰা সন্দৰ্ভত উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মৃদুল কুমাৰ কলিতাৰ বিচাৰপীঠে লোকজনক জামিন প্ৰদান কৰি সমগ্ৰ বিষয়টো সন্দৰ্ভত কেইবাটাও পৰামৰ্শ আগবঢ়ায়। ন্যায়ালয়ে কয় যে অভিযুক্তক গ্ৰেপ্তাৰৰ সময়ত আৰক্ষীয়ে লোকজনক গ্ৰেপ্তাৰৰ কাৰণ নাইবা কেনে ধৰণৰ অপৰাধৰ বাবে গ্ৰেপ্তাৰ কৰা হৈছে সেই সম্পৰ্কত সকলো তথ্য দিব লাগিব। গ্ৰেপ্তাৰৰ সময়ত আৰক্ষীয়ে এনে নিয়ম পালন নকৰাৰ বাবে অভিযুক্তই জামিন লাভ কৰে বুলি উল্লেখ কৰি এই নিৰ্দেশনাৰ প্ৰতিলিপি অসম চৰকাৰৰ মুখ্য সচিব আৰু আৰক্ষী সঞ্চালক প্ৰধানলৈ প্ৰেৰণৰ বাবে নিৰ্দেশনাত উল্লেখ কৰে।

০০০০০

জয়পুৰত অনুষ্ঠিত ২০২৫ বৰ্ষৰ আইফা বঁটা প্ৰদান অনুষ্ঠানত অসমৰ বলয় কুমাৰ দলৈয়ে শ্ৰেষ্ঠ শব্দ সংমিশ্ৰণৰ শিতানত সন্মান লাভ কৰিছে। **কিল** নামৰ হিন্দী চলচ্চিত্ৰখনত কৰা শব্দ সংমিশ্ৰণৰ বাবে শ্ৰীদলৈক এই বঁটা প্ৰদান কৰা হয়। উল্লেখযোগ্য যে, অসমৰ অনুৰাগ শইকীয়াই যোৱা দেওবাৰে আইফা ডিজিটেল পুৰস্কাৰ প্ৰদান অনুষ্ঠানত শ্ৰেষ্ঠ শীৰ্ষ সংগীতৰ সন্মান লাভ কৰিছিল। **মিচমেট্‌ছড** নামৰ ডিজিটেল ধাৰাবাহিকখনৰ তৃতীয় সংস্কৰণৰ **ইস্ক হে** শীৰ্ষক গীতটিৰ বাবে সংগীত পৰিচালকগৰাকীলৈ এই সন্মান আগবঢ়োৱা হৈছিল।

০০০০০

কামৰূপ সংস্কৃত সঞ্জীৱনী সভাৰ উদ্যোগত আৰু ৰাষ্ট্ৰীয় পাণ্ডুলিপি মিছনৰ সহযোগত নলবাৰীত অনুষ্ঠিত ১৫ দিনীয়া পাণ্ডুলিপি অধ্যয়ন কৰ্মশালাৰ আজি সামৰণি পৰে। গুৱাহাটী বিশ্ববিদ্যালয়, কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়, ভট্টদেৱ বিশ্ববিদ্যালয় আৰু কোকৰাঝাৰ বিশ্ববিদ্যালয়ৰ ৩০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে কৰ্মশালাত অংশগ্ৰহণ কৰে। নতুন দিল্লীৰ ৰাষ্ট্ৰীয় পাণ্ডুলিপি মিছনৰ সমন্বয়ক শ্ৰীধৰ বাৰিকে কৰ্মশালাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। তেওঁ পুৰণি পাণ্ডুলিপিসমূহ সংৰক্ষণ কৰিবলৈ সকলোকে আহ্বান জনায়।

০০০০০

সাঁচি গছৰ খেতি আৰু কৃত্ৰিম ভেঁকুৰ সংস্থাপনৰ কৌশল সন্দৰ্ভত যোৰহাট বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানত আয়োজিত প্ৰশিক্ষণ কৰ্মশালাৰ আজি অন্ত পৰে। দেশৰ ৬ খন ৰাজ্যৰ ১১ জন প্ৰশিক্ষাৰ্থীয়ে এই কৰ্মশালাত

অংশগ্ৰহণ কৰে। প্ৰশিক্ষণত অংশগ্ৰহণকাৰীসকলক গোলাঘাট জিলাৰ নাহৰনি অঞ্চললৈ ক্ষেত্ৰ অধ্যয়নৰ বাবে লৈ যোৱা হয়। সাঁচি খেতি তথা এই ব্যৱসায়ৰ সৈতে জড়িত বিভিন্ন ব্যক্তিৰ সৈতে কৰ্মশালাৰ প্ৰশিক্ষাৰ্থীসকলে মত বিনিময় কৰে। প্ৰশিক্ষণৰ শেষৰ দিনা প্ৰতিষ্ঠানৰ মুখ্য কাৰিকৰী বিষয়া ড০ নিবেদিতা বৰুৱাই আগৰ তেলৰ আধুনিক নিষ্কাষণ পদ্ধতিৰ বিষয়ে প্ৰশিক্ষণ আগবঢ়ায়।

০০০০০

যোৰহাটৰ পুলিবৰ আজানগাঁৱৰ সমীপত আজি বিয়লি ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত হোৱা এটা পথ দুৰ্ঘটনাত দুজন শিক্ষাৰ্থী নিহত আৰু অন্য দুজন গুৰুতৰভাৱে আহত হয়।আহত ছাত্ৰী দুগৰাকীক যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হৈছে। দুৰ্ঘটনাত নিহত ছাত্ৰ দুজন কাজিৰঙা বিশ্ববিদ্যালয়ৰ বুলি জানিব পৰা গৈছে।

০০০০০

লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত কাইলৈ উত্তৰ-পূব সীমান্ত ৰে'লৱে ক্ৰীড়া সন্থা নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবে কালি গুৱাহাটীৰ জজ খেলপথাৰত অনুষ্ঠিত প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত শ্বিলং লাজং ফুটবল ক্লাবক ১-০ গলত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে। উত্তৰ-পূব সীমান্ত ৰে'লৱে ক্ৰীড়া সন্থাই সোমবাৰে অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত গ্ল'বেল ফুটবল ক্লাবক ৩-১ গ'লৰ ব্যৱধানত পৰাভূত কৰি ফাইনেলত প্ৰৱেশ কৰে।

০০০০০

অসমৰ আবাবিল আলীয়ে নতুন দিল্লীত চলি থকা বিশ্ব পেৰা এথলেটিকছ্ গ্ৰাঁ প্ৰী প্ৰতিযোগিতাৰ পুৰুষৰ T-44 শিতানৰ ১০০ মিটাৰ দৌৰত ৰূপৰ পদক অৰ্জন কৰি অভিলেখ গঢ়িছে। আবাবিল বিশ্ব পেৰা এথলেটিকছ্ গ্ৰাঁ প্ৰী প্ৰতিযোগিতাৰ পদক অৰ্জন কৰা ৰাজ্যৰ প্ৰথমগৰাকী খেলুৱৈ।

০০০০০

সমাপ্ত